**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 0705 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্ত্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। ষষ্ঠ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰৰ সামৰণি পৰিব।

২। দেশৰ বিভিন্ন প্ৰান্তত আজি ভগৱান বুদ্ধৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক ওলগ জনাইছে।

৩। কলকাতা উচ্চ ন্যায়ালয়ে ২০১০ চনৰ পাছত পশ্চিমবংগ চৰকাৰে প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ সকলো প্ৰমাণ-পত্ৰ বাতিল কৰিছে।

৪। চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে দেশৰ চাইবাৰ প্ৰতিৰক্ষা সামৰ্থ্য শক্তিশালী কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

*আৰু*

৫। ৰাজস্থান ৰয়েলছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখনত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। প্ৰচাৰৰ সামৰণিৰ ক্ষণ চমু চাপি অহাৰ লগে লগে প্ৰধান প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ষষ্ঠ পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহৰ ভোটদাতাৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে। ইফালে, লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবেও প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। ২৫ মে'ত আৰু ১ জুনত ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি হাৰিয়ানাৰ ভিৱানী-মহেন্দ্ৰগড়ত দলৰ হৈ প্ৰচাৰ চলাব। শ্ৰীমোডীয়ে আজি পাঞ্জাবৰ পাটিয়ালা চহৰতো নিৰ্বাচনী সভাক সম্বোধন কৰিব। পাটিয়ালাৰ বিজেপি প্ৰাৰ্থী পৰ্ণীত কৌৰে কৈছে যে জনসাধাৰণে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণলৈ আগ্ৰহেৰে বাট চাই আছে।

দিল্লীতো লোকসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। দিল্লীৰ সাতোখন আসনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। দিল্লীৰ আটাইকেইটা সমষ্টিৰ বাবে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজনৈতিক দলসমূহে ৰোড শ্ব', নিৰ্বাচনী সভা আৰু ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰৰ জৰিয়তে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ আম আদমী পাৰ্টি আৰু কংগ্ৰেছৰ ভালেকেইগৰাকী আগশাৰীৰ নেতা আৰু ষ্টাৰ প্ৰচাৰকে আজি দিল্লীৰ বিভিন্ন অংশত প্ৰচাৰত ভাগ ল'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, উত্তৰাখণ্ড আৰু ৰাজস্থানৰ মুখ্যমন্ত্ৰীয়ে দলৰ হকে বিভিন্ন স্থানত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশ ল'ব। ইফালে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে

আজি মংগোলপুৰী আৰু সীমাপুৰীত নিৰ্বাচনী সভাত ভাষণ দিব। আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে ৰোড শ্বʼত ভাগ লʼব।

ওড়িশাতো ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হʼবলগীয়া ৬টা লোকসভা আৰু ৪২টা বিধানসভা সমষ্টিৰ বাবে প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

০০০০০০০

সপ্তম পৰ্যায়ত অহা ১ জুনত দেশৰ ৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হʼব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই পৰ্যায়ৰ বাবে দুহেজাৰ ১০৫ খন মনোনয়ন দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত ৯৫৪ খন মনোনয়ন বৈধ বুলি বিবেচিত হৈছিল। পঞ্জাৱৰ ১৩ টা সমষ্টিৰ বাবে সৰ্বাধিক ৫৯৮ খন মনোনয়ন দাখিল কৰা হৈছিল। আনহাতে, উত্তৰ প্ৰদেশত ১৩ টা সমষ্টিৰ বাবে ৪৯৫ খন মনোনয়ন দাখিল হৈছিল। সপ্তম তথা অন্তিম পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ আসনৰ লগতে পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮, ওড়িশাৰ ৬, হিমাচল প্ৰদেশৰ ৪, ঝাৰখণ্ডৰ ৩ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হʼব। অহা ৪ জুনত ভোটগণনা অনুষ্ঠিত হʼব।

০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি ভগৱান বুদ্ধৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে বুদ্ধ পূৰ্ণিমা উপলক্ষে দেশবাসীক ওলগ জনাইছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাত কয় যে ভগৱান গৌতম বুদ্ধই মানৱ জাতি আৰু সকলো জীৱৰ প্ৰতি সত্য, অহিংসা, সম্প্ৰীতি আৰু মৰম ভালপোৱাৰ বাৰ্তা দি থৈ গৈছে। তেওঁ কয় যে ভগৱান বুদ্ধ সহিষ্ণুতা, আত্মসজাগতা আৰু সুআচৰণৰ শিকণিসমূহে সকলোকে মানৱ জাতিৰ সেৱাৰ বাবে উদ্বুদ্ধ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয় যে ভগৱান গৌতম বুদ্ধৰ শিকণিসমূহৰ মাজত নৈতিক আচৰণ, মানসিক অনুশাসন আৰু প্ৰজ্ঞাৰ সৈতে সংপৃক্ত জীৱন অনুসৰণৰ ৰূপান্তৰকামী পৰিকল্পনা নিহিত হৈ আছে। শ্ৰীধনখড়ে কয় যে ভগৱান বুদ্ধৰ চতুৰাৰ্য সত্য আৰু অষ্টমাৰ্গৰ তত্বই জনসাধাৰণৰ মৰম, ভালপোৱা, কৰুণা আৰু অহিংসাৰ পথ অনুসৰণ কৰাত সহায় কৰি আহিছে।

০০০০০০০

ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমিন আব্দুল্লাহিয়ানৰ স্মৃতিত আয়োজন কৰা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতৰ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কালি তেহৰাণত উপস্থিত হয়। তেহৰাণত উপস্থিত হোৱাৰ পাছত ইৰাণ কৰ্তৃপক্ষই তেওঁ আদৰণি জনায় আৰু ইয়াৰ পাছতেই তেওঁ প্ৰয়াত ৰাষ্ট্ৰপতি ড০ ছৈয়দ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমিন আব্দুল্লাহিয়ানৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰে। তেওঁ দেশখনৰ কাৰ্যকৰী ৰাষ্ট্ৰপতি মহম্মদ মোখবেৰৰ প্ৰতিও সমবেদনা জ্ঞাপন কৰে।

দুয়োগৰাকী প্ৰয়াত নেতাৰ অন্ত্যেষ্টিক্ৰিয়াৰ মূল শোভাযাত্ৰা কালি পুৱা তেহৰাণ বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ হৈছে। নিজৰ গৃহ চহৰ মাশ্বাদত আজি ৰাইছিক সমাধিস্থ কৰাৰ কথা আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি চৌদি আৰবৰ ৰজা চলমান বিন আব্দুল আজিজৰ স্বাস্থ্য প্ৰতিবেদনক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে এটা পোষ্টৰ জৰিয়তে শ্ৰীমোডীয়ে তেওঁৰ শীঘ্ৰেই আশু আৰোগ্য কামনা কৰিছে।

০০০০০০০

কলকাতা উচ্চ ন্যায়ালয়ে ২০১০ চনৰ পাছত পশ্চিমবংগ চৰকাৰে প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ সকলো প্ৰমাণ-পত্ৰ বাতিল কৰিছে। ন্যায়াধীশ তপোব্ৰতা চক্ৰৱৰ্ত্তী আৰু ন্যায়াধীশ ৰাজশেখৰ মন্থাক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি এই ৰায় প্ৰদান কৰে। এই ন্যায়ৰ ফলত অন্যান্য পিছপৰা শ্ৰেণীৰ ৫ লাখ প্ৰমাণ-পত্ৰ বাতিল হ'ব।

ন্যায়ালয়ে লগতে এই প্ৰমাণ-পত্ৰ ইতিমধ্যে ব্যৱহাৰ কৰাসকলক এই ৰায়ে প্ৰভাৱিত নকৰে বুলি স্পষ্ট কৰি দিছে। এতিয়াৰে পৰা চৰকাৰী চাকৰিৰ বাবে আবেদন কৰিবলৈ কোনেও এই প্ৰমাণ-পত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

খণ্ড বিচাৰপীঠখনে ২০১০ চনৰ পাছত এই প্ৰমাণ-পত্ৰ জাৰি কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সঠিক আইনী প্ৰক্ৰিয়া অনুসৰণ কৰা নাছিল বুলি মন্তব্য কৰে। ন্যায়ালয়ে লগতে পিছপৰা শ্ৰেণী কল্যাণ আয়োগে ১৯৯৩ চনৰ আইন অনুসৰি এই অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকা প্ৰস্তুত কৰিব বুলি নিৰ্দেশ দিয়ে। তাৰ পাছত তালিকাখন বিধানসভালৈ প্ৰেৰণ কৰিব লাগিব। বিধানসভাৰ অনুমোদন সাপেক্ষে চূড়ান্ত নাম প্ৰকাশ কৰিব পৰা যাব।

উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰোধিতা কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কৈছে যে তেওঁ প্ৰয়োজন হ'লে এই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব।

০০০০০০০

চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে দেশৰ চাইবাৰ প্ৰতিৰক্ষা সামৰ্থ্য শক্তিশালী কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। জেনেৰেল চৌহানে কালি নতুন দিল্লীত আয়োজিত অনুশীলন চাইবাৰ সুৰক্ষা ২০২৪ শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে মত প্ৰকাশ কৰে। অনুষ্ঠানত তেওঁ চাইবাৰ ক্ষেত্ৰৰ সৈতে জড়িত সকলো পক্ষৰ একত্ৰীকৰণত গুৰুত্ব আৰোপ কৰে আৰু উদীয়মান চাইবাৰ ভাবুকিৰ সন্মুখীন হোৱাৰ বাবে এটা সহযোগিতামূলক বাতাবৰণৰ প্ৰসাৰৰ বাবে গ্ৰহণ কৰা উদ্যমসমূহৰ ভূয়সী প্ৰশংসা কৰে।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে প্ৰতিৰক্ষা চাইবাৰ সংস্থাই ২০ৰ পৰা ২৪ মে'লৈ সৰ্বাত্মক চাইবাৰ প্ৰতিৰক্ষা অনুশীলনৰ আয়োজন কৰিছে। সকলো চাইবাৰ সুৰক্ষা সংস্থাৰ চাইবাৰ প্ৰতিৰক্ষা সামৰ্থ্য বৃদ্ধি কৰাৰ লগতে সকলো পক্ষৰ মাজত সমন্বয় সাধনেই এই অনুশীলনৰ মূল উদ্দেশ্য।

০০০০০০০

ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখনত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰত ছটা উইকেট হেৰুৱাই ১৭৪ ৰাণ কৰে।

রাজস্থান ৰয়েলছে এতিয়া কাইলৈ হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

২০২৩-২৪ বৰ্ষৰ এফ আই এইচ প্ৰ' লীগত ভাৰতৰ মহিলা হকী দলটোৱে নিজৰ প্ৰথমখন খেলত আৰ্জেণ্টিনাৰ হাতত ০-৫ গ'লত পৰাজিত হয়। খেলখনৰ প্ৰথমাৰ্ধত ভাৰতৰ খেলুৱৈসকলে নিয়ন্ত্ৰণ বৰ্তাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে। অৱশ্যে কেইবাটাও পেনাল্টি কৰ্ণাৰ লাভ কৰা আৰ্জেণ্টিনাৰ তীব্ৰ চাপৰ সন্মুখীন হ'বলগীয়া হয় আৰু অৱশেষত ০-৫ গ'লৰ ব্যৱধানত পৰাজয়বৰণ কৰে। ভাৰতীয় দলটোৱে পৰৱৰ্ত্তী খেলখনত কাইলৈ বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**